**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 07-02-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

**HEADLINES**

দেশৰ নতুন আয়কৰ বিধেয়কত কেন্দ্ৰীয় কেবিনেটে আজি অনুমোদন জনাব। অহা সপ্তাহৰ আৰম্ভণিতে বিধেয়কখন লোকসভাত উত্থাপন কৰাৰ সম্ভাৱনা আছে। এতিয়াও বলবৎ হৈ থকা ১৯৬১ চনৰ আয়কৰ আইনৰ অৱসান ঘটাবলৈ কেন্দ্ৰই এই নতুন আইন প্ৰৱৰ্তনৰ সিদ্ধান্ত লৈছে। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে শেহতীয়া বাজেট দাখিলৰ সময়তে কেবিনেটত নতুন আয়কৰ বিধেয়কৰ অনুমোদন দিয়া হ'ব বুলি ঘোষণা কৰিছিল। বিধেয়কখন স্পষ্ট আৰু পোনপটীয়া হ'ব বুলিও বিত্ত মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছিল।

আৰ্থিক বিশ্লেষকসকলে অনুমান কৰা অনুসৰি নতুন আইনে আইন বিৰোধী কাম-কাজৰ সুৰুঙা বন্ধ কৰাৰ উপৰি আয়কৰৰ ক্ষেত্ৰত থকা জটিলতা বহু পৰিমাণে দূৰ কৰিব। কেন্দ্ৰীয় কেবিনেটে আয়কৰ আইনখনত আজি অনুমোদন দিলে কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে ১০ ফেব্ৰুৱাৰীত বিধেয়কডখন সংসদত উত্থাপন কৰাৰ সম্ভাৱনা আছে।

ooooo

যোৰহাট জিলাৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি দ্বিতীয় দিনা বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আজি অধিৱেশনৰ দ্বিতীয় দিনটোত পুৱা পৰিৱেশ নিকাকৰণ, প্ৰাতঃপ্ৰসংগ আৰু নাম প্ৰসংগৰে কাৰ্যসূচী আৰম্ভ কৰা হয়। দিনৰ ভাগলৈ অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথিৰূপে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰাৰ কথা। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু সাংসদ দিলীপ শইকীয়াই অতিথিৰূপে অধিৱেশনত অংশগ্ৰহণ কৰিব। অধিৱেশনৰ প্ৰথম দিনত কালি পৰিৱেশ নিকাকৰণ আৰু গছপুলি ৰোপনেৰে অধিৱেশনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে কালি প্ৰতিনিধি শিবিৰৰ তোৰণ উন্মোচন কৰে। নামঘৰৰ তোৰণ উন্মোচন, মূল সমিতিৰ কাৰ্যনিৰ্বাহক আৰু গ্ৰন্থমেলা মুকলি কৰা হয়। দিনৰ ভাগত মূল কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। কাইলৈ পুৱা সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৰেন্দ্ৰ নাথ ডেকাই পতাকা উত্তোলন কৰিব। এই পতাকা উত্তোলনস্থলীত কাছ আকৃতিৰ বেদী নিৰ্মাণ কৰা হৈছে। বেদীটোৰ চৌপাশত প্ৰতীকিভাৱে ৫৪ খন পতাকা উত্তোলন কৰা হ'ব। তদুপৰি ৯৪ সংখ্যক অধিৱেশনৰ সৈতে সংগতি ৰাখি ৯৪টা খোল আৰু ৯৪ যোৰ তাল লৈ গায়ন-বায়নসকলে মাংগলিক ধবনি কৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভাগৰত শোভাযাত্ৰা আৰু ধৰ্মালোচনা সভাৰ লগতে সত্ৰীয়া সংস্কৃতিৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ হ'বলগীয়া মুকলি সভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত

বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলেও অংশ লৈছে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক এই অধিৱেশনত প্ৰায় ১২ হাজাৰ স্বেচ্ছাসেৱকে দিনে-নিশাই অধিৱেশনৰ কামকাজ তদাৰক কৰি আছে। অধিৱেশনলৈ অহা প্ৰায় ১০ হাজাৰ ভক্তক বৈষ্ণৱে একেলগে আহাৰ গ্ৰহণ কৰিব পৰা ব্যৱস্থা কৰা হৈছে। সুদীৰ্ঘ ২৭ বছৰ পাছত যোৰহাটত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় অধিৱেশনৰ কাৰ্যসূচীত কেইবালাখ ভক্তই অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে।

০০০০০

জোনাইৰ **পৰা** বৰ্ষাৰণ্য চিয়াং নদীৰ বালিচাপৰিত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় **পৰা** মহোৎসৱ আৰম্ভ হৈছে। মহোৎসৱৰ সৈতে সংগতি ৰাখি আলোচনাচক্ৰ, নৌকা বিহাৰ, পৰম্পৰাগত খেল-ধেমালি, চিত্ৰাংকণ, তৰ্ক প্ৰতিযোগিতা, জনগোষ্ঠীয় পৰম্পৰাগত খাদ্য-সম্ভাৰ আদি কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ২০১৫ চনত প্ৰথমবাৰৰ বাবে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। এই বনাঞ্চলত উপযুক্ত সুৰক্ষা, ৰাষ্ট্ৰীয় বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰাৰ লগতে অঞ্চলটোক পৰ্যটনৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তোলাই হৈছে এই মহোৎসৱৰ উদ্দেশ্য।

০০০০০

তিনিচুকীয়া আৰক্ষীয়ে খাৰুৱা তেল চোৰৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। তিনিচুকীয়াত অইল খাৰুৱা তেল চুৰিৰৰ ঘটনাৰ তদন্ত কৰি কালি তিনিচুকীয়া আৰক্ষীয়ে লাংকাছি আৰক্ষীৰ সহযোগত মাকুমৰ সমীপৰ গড়বস্তিত বাহনসহ খাৰুৱা তেলৰ ১২টা ড্ৰাম জব্দ কৰে। আৰক্ষীয়ে তেল চুৰিৰ সৈতে জড়িত থকাৰ অপৰাধত দুজন অভিযুক্তক আটক কৰি অধিক তথ্যৰ বাবে তদন্ত অব্যাহত ৰাখিছে।

০০০০০

মৰাণ জাতীয় মহিলা পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত, বাৰেকুৰি আঞ্চলিক সমিতি আৰু বাৰেকুৰি আঞ্চলিক যুৱ সংঘৰ সহযোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে শৈক্ষিক আৰু সাংস্কৃতিক সহযোগ আৰম্ভ হৈছে। মৰাণ জনগোষ্ঠীৰ উপৰি অঞ্চলটোক শৈক্ষিক, বৌদ্ধিক আৰু সাংস্কৃতিক দিশত সবল কৰিবলৈ এই কাসূচীৰ আয়োজন কৰা বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। বাৰেকুৰি আঞ্চলিক যুৱ সংঘৰ কাৰ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত এই সমাৰোহত উদ্যোক্তাসকলে সকলোৰে উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে।

০০০০০

ধেমাজিত আজিৰে পৰা সোণোৱাল কছাৰী সাহিত্য সভাৰ অধিৱেশন তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। ২০১৭ চনত ডিব্ৰুগড়ত গঠন হোৱা সোণোৱাল কছাৰী সাহিত্য সভাই জনগোষ্ঠীটোৰ সমাজ, ভাষা-সংস্কৃতিকে ধৰি বিভিন্ন দিশত উত্তৰণৰ বাবে প্ৰয়াস কৰি আহিছে। অধিৱেশনৰ অংশ হিচাপে সোণোৱাল কছাৰী সকলৰ পৰম্পৰাগত গৃহ উদ্বোধন, গ্ৰন্থ উন্মোচন, প্ৰদৰ্শনী আৰু খাদ্য মেলা উদ্বোধন, সাহিত্য প্ৰতিযোগিতা, আলোচনাচক্ৰকে ধৰি কেইবাটাও কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীৰ মানসিক চাপ আৰু ইয়াৰ সমাধান সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অসম জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু মনোৰোগ বিশেষজ্ঞ ডাঃ মৈথিলী হাজৰিকাই অংশগ্ৰহণ কৰিব। এই আলোচনাৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠান চলি থকা সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

ooooo

সমাপ্ত